# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-03-2025
**Time :** 18-45 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::::**

১। মণিপুৰৰ নিৰাপত্তা সন্দৰ্ভত কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ অধ্যক্ষতাত উচ্চ পৰ্যায়ৰ বৈঠক।

২। ২০৩০ চনৰ ভিতৰত ১০ লাখ কোটি টকাৰ অৰ্থনীতিৰ ৰাজ্য হিচাপে পৰিগণিত হোৱাৰ বাবে ৰাজ্য চৰকাৰৰ লক্ষ্য নিৰ্ধাৰণ।

৩। কেন্দ্ৰীয় চৰকাৰে কৃষিখণ্ডৰ উন্নয়ন আৰু গ্ৰাম্য সমৃদ্ধিৰ দ্বৈত লক্ষ্যত উপনীত হোৱাৰ দিশত অগ্ৰসৰ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।

৪। মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত বেংগালুৰুৰ এন চিন্নাস্বামী ষ্টেডিয়ামত ডেল্হী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ। ***আৰু***

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ বিৰ লীগ পৰ্যায়ৰ চূড়ান্ত খেলত আজি ইংলেণ্ডৰ -দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ১৮০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০

মণিপুৰৰ নিৰাপত্তা ব্যৱস্থাক লৈ নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত উচ্চস্তৰীয় বৈঠক অনুষ্ঠিত হয়। বৈঠকত শ্ৰীশ্বাহে অহা ৮ মাৰ্চৰ ভিতৰত ৰাজ্যখনৰ সকলো পথত জনসাধাৰণৰ বাধাহীনভাৱে আহ-যাহ নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়াৰ উপৰি মুক্ত আহ-যাহত বাধাৰ সৃষ্টি কৰা সকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে। তেওঁ বৈঠকত মণিপুৰৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ লগতে সীমান্ত প্ৰৱেশ পথৰ দুয়োফালে বেৰ নিৰ্মাণৰো নিৰ্দেশ দিয়ে। শ্ৰীশ্বাহে কয়, যে মণিপুৰত শান্তি ঘূৰাই আনিবলৈ নৰেন্দ্ৰ মোদী চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ জনসাধাৰণক প্ৰয়োজনীয় সকলো সহায় আগবঢ়াব বুলি তেওঁ মন্তব্য কৰে। মণিপুৰক মাদক দ্ৰব্যমুক্ত কৰাৰ বাবে নিচাজাতীয় সামগ্ৰীৰ নেটৱৰ্ক সম্পূৰ্ণৰূপে উৎখাত কৰিবলৈ তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে। মণিপুৰৰ ৰাজ্যপাল অজয় কুমাৰ ভাল্লা, গৃহ সচিব গোবিন্দ মোহনৰ লগতে চোৰাংচোৱা সংস্থাৰ শীৰ্ষ বিষয়াসকল এই বৈঠকত উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাষ্ট্ৰপতি শাসন বলৱৎ হোৱাৰ পাছত এয়া মণিপুৰত প্ৰথমখন উচ্চস্তৰীয় বৈঠক।

০০০০

ৰাজ্য চৰকাৰে ২০৩০ চনৰ ভিতৰত ১০ লাখ কোটি টকাৰ অৰ্থনীতি ৰাজ্য হিচাপে উপনীত হোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত সামাজিক মাধ্যমত এটা বাৰ্তাযোগে কয়, যে অসমে এই বছৰ ৬ লাখ কোটি টকাৰ জি এছ ডি পি প্ৰাপ্ত কৰাৰ দিশত আন্তৰিকতাৰে কাম কৰি থকাৰ লগতে অৰ্থনীতিক আগুৱাই নিয়াৰ ক্ষেত্ৰত পৰিকল্পনা প্ৰস্তুত কৰিছে। তেওঁ আজি অসম বাজেট ২০২৫ সন্দৰ্ভত আলোচনা কৰিবলৈ এখন গুৰুত্বপূৰ্ণ বৈঠকতো অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় চৰকাৰে কৃষি খণ্ডৰ উন্নয়ন আৰু গ্ৰাম্য সমৃদ্ধিৰ দ্বৈত লক্ষ্যত উপনীত হোৱাৰ দিশত অগ্ৰসৰ হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। কৃষি আৰু গ্ৰাম্য সমৃদ্ধি বিষয়ক এখন বাজেট পৰৱৰ্তী ৱেবিনাৰত দিয়া ভাষণত শ্ৰীমোদীয়ে কয়, যে এখন উন্নত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত দেশৰ দৃষ্টিভংগী অত্যন্ত স্পষ্ট। কেন্দ্ৰীয় চৰকাৰে এনে এখন ভাৰত গঢ়াৰ দিশে অগ্ৰসৰ হৈছে য'ত কৃষকসকলৰ সমৃদ্ধি আৰু সৱলীকৰণ নিশ্চিত হ'ব। কৃষিক উন্নয়নৰ প্ৰথমটো ইঞ্জিন বুলি অভিহিত কৰি তেওঁ কয়, যে চৰকাৰে কৃষকসকলক মৰ্যাদাপূৰ্ণ স্থান দিছে। প্ৰধানমন্ত্ৰীয়ে এই প্ৰসংগতে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি যোজনাৰ অধীনত ৩ লাখ ৭৫ হাজাৰ কোটি টকা প্ৰদান কৰিছে বুলি উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা ধন ধান্য কৃষি যোজনাৰ অধীনত দেশৰ ন্যূনতম কৃষি উৎপাদন থকা ১০০ খন জিলাক সামৰি লৈছে। সম্প্ৰতি দেশৰ কৃষি উৎপাদন অভিলেখ পৰ্যায়ত আছে বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

**বাইট (পি এম)**

০০০০

কামৰূপী লোকগীতৰ যশস্বী শিল্পী ৰামেশ্বৰ পাঠকৰ আজি ওপজা দিন। .............. MUSIC (পখী)

আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। ১৯৩৮ চনৰ আজিৰ দিনটোতে বৰপেটা জিলাৰ ভেল্লাত জন্মগ্ৰহণ কৰা শিল্পীগৰাকীয়ে বৰপেটাতেই বৰগীতৰ প্ৰাৰম্ভিক শিক্ষা গ্ৰহণ কৰি পাছলৈ লোক সংগীতৰ সাধনাৰ সৈতে জড়িত হৈ পৰে। আকাশবাণী গুৱাহাটীৰ স্বীকৃত তথা শ্ৰোতাৰৰ আদৰৰ শিল্পীগৰাকীয়ে পত্নী ধনদা বৰ্মনৰ সৈতে পৰিৱেশন কৰা গীতসমূহ কেইবাখনো গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ হৈছিল। ...................... MUSIC

অসমৰ উপৰি দেশৰ বিভিন্ন প্ৰান্তত কামৰূপী লোকগীতৰ প্ৰসাৰৰ ক্ষেত্ৰত শিল্পীগৰাকীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই শিল্পীগৰাকীৰ ওপজা দিনত শ্ৰদ্ধা নিবেদন কৰি দিয়া বাৰ্তাত কয়, যে অসমৰ গ্ৰাম্য সমাজৰ জীৱন শৈলী আৰু মাটিৰ সুৰক প্ৰতিগৰাকী অসমীয়াৰ বুকুলৈ কঢ়িয়াই নিয়া মহান শিল্পীগৰাকী তেওঁৰ সৃষ্টিৰ মাজেৰে আমাৰ মাজত চিৰকাল জীয়াই থাকিব। কামৰূপী লোকগীতক নিজৰ অনন্য গায়ন শৈলীৰে দেশজুৰি জনপ্ৰিয় কৰা শিল্পীগৰাকীৰ গীতসমূহ আজিও শ্ৰোতাৰ বাবে সমানে প্ৰিয় হৈ আছে।

০০০০

কাইলৈ ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ ৰমজান মাহ আৰম্ভ হ'ব। কেন্দ্ৰীয় হিলাল সমিতি অসমেও কাইলৈ ৰমজানৰ প্ৰথম ৰোজা আৰম্ভ হ'ব বুলি জানিবলৈ দিছে। সমিতিৰ সভাপতি আৰু সম্পাদকে আমাৰ সংবাদদাতাক জনোৱা মতে, কালি সন্ধিয়া অসম তথা দেশৰ অন্য প্ৰান্তত, আকাশত ৰমজান মাহৰ জোন দেখা নোযোৱাৰ পৰিপ্ৰেক্ষিতত কাইলৈ ৰমজান মাহ আৰম্ভ হ'ব। হিলাল সমিতিৰ তথ্য অনুসৰি কাইলৈ প্ৰথম দিনটোত গুৱাহাটীৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ৩০ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২৫ মিনিট, মৰিগাঁও আৰু জাগীৰোডৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৭ মিনিট, ইফতাৰৰ সময় আবেলি ৫ বাজি ২২ মিনিট, নগাঁও আৰু তেজপুৰৰ বাবে চেহেৰীৰ সময় পুৱা ৪ বাজি ২৬ মিনিট আৰু ইফতাৰৰ সময় আবেলি ৫

বাজি ২১ মিনিট ধাৰ্য কৰা হৈছে। এই বেলি ধাৰ্য কৰা ফিতৰাৰ পৰিমাণ হ'ল এহেজাৰ ৬৩৩ গ্ৰাম ঘেঁহু বা তাৰ মূল্য। গোৱালপাৰা জিলাতো ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। ফল-মূল, ছেৱৈ, খেজুৰ, মিঠাই আদি সুস্বাদু খাদ্যৰে জিলাখনৰ হাট-বজাৰসমূহ ভৰি পৰিছে।

আজি সন্ধিয়া ইছলাম ধৰ্মাৱলম্বী লোকসকলে তাৰাবিহ নামাজ কৰিছে। উল্লেখযোগ্য যে ৰমজান হ'ল আত্মশুদ্ধিৰ মাহ আৰু ইয়াৰ জৰিয়তে বিশ্ব শান্তি কামনা কৰা হয়। ৰমজান মাহ শেষ হোৱাৰ পাছতে ঈদ-উল-ফিতৰ উদযাপন কৰা হ'ব।

০০০০

প্ৰধানমন্ত্ৰী কৃষি জলসিঞ্চন যোজনাৰ জলচ্ছেদ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি কোকৰাঝাৰ জিলাত গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ উদ্যোগত ভূসম্পদ বিভাগে জলচ্ছেদ যাত্ৰা কাৰ্যসূচীৰ আয়োজন কৰে। জিলাখনৰ আয়ুক্ত মাছান্দা পাৰ্টিন আৰু জিলা ভূমি সংৰক্ষণ সংমণ্ডলৰ বিষয়াসকল এই অনুষ্ঠানত উপস্থিত থাকে। এই অনুষ্ঠানত পৰিৱেশৰ বহনক্ষমতা আৰু জল সংৰক্ষণৰ ক্ষেত্ৰত জলচ্ছেদ কাৰ্যসূচীৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰা হয়। এই অনুষ্ঠানতে উদ্যানশস্যৰ ৰোপণ আৰু অন্য গছৰ পুলি ৰোপণ কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত জিলা আয়ুক্তগৰাকীয়ে পানীৰ দীৰ্ঘস্থায়ী বহনক্ষমতা নিশ্চিত কৰা আৰু গ্ৰামাঞ্চলত উপাৰ্জনৰ পথ মুকলি কৰাৰ ক্ষেত্ৰত জলচ্ছেদ ব্যৱস্থাপনা প্ৰকল্পসমূহে বিশেষ পালন কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে দেশৰ ২৭ খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলক সামৰি জলচ্ছেদ যাত্ৰা কাৰ্যসূচী লোৱা হৈছে। যোৱা মাহৰ ১৭ তাৰিখে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হৈছিল।

০০০০

তৃতীয় পৰ্যায়ৰ অৰুণোদয় আঁচনিৰ শুভাৰম্ভ কৰাৰ পূৰ্বে বৰপেটা জিলাত বৰ্তমানৰ হিতাধিকাৰীসকলৰ শেহতীয়া তথ্য পৰীক্ষা প্ৰক্ৰিয়া অব্যাহত আছে। তৃতীয় পৰ্যায়ৰ অৰুণোদয়ত হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্তিকৰণ সন্দৰ্ভত আজি জিলা প্ৰশাসনৰ সৈতে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই সভাত অৰুণোদয় আঁচনিৰ সংশোধিত তালিকা শীঘ্ৰে চূড়ান্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে জিলাখনৰ একাংশ চৰকাৰী চাকৰি থকা পৰিয়ালে অৰুণোদয় আঁচনিৰ সুবিধা গ্ৰহণ কৰি থকাৰ তথ্য পোহৰলৈ আহিছে। ইয়াৰ পাছতে এনে হিতাধিকাৰীৰ তথ্য সংগ্ৰহ কৰি জিলা প্ৰশাসনে নাম কৰ্তন প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। নাম কৰ্তন প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পাছতে জিলাখনৰ নতুন হিতাধিকাৰীৰ নাম অন্তৰ্ভুক্তি কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে আজিৰ সভাখনত হিতাধিকাৰীৰ সংশোধিত তালিকা প্ৰস্তুতৰ অগ্ৰগতিৰ বুজ লয়।

০০০০

ৰাজ্যখনৰ সংবাদ জগতত এটা পৰিচিত নাম - নিতুমনি শইকীয়া। উত্তৰ অসমৰ এখন সৰু চহৰৰ পৰা অহা এজন তীক্ষ্ণধী যুৱক এদিন আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ আহি প্ৰচাৰ মাধ্যমৰ সৈতে কিদৰে জড়িত হৈছিল আৰু পৰৱৰ্ত্তী কালত কিদৰে ৰাজ্যৰ টেলিভিছন সংবাদ মাধ্যমত নিজৰ পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হৈছিল সেই বিষয়ে তেওঁৰ নিজৰ মুখেৰেই শুনিবলৈ পাব আজি নিশা ৮ বাজি ২ মিনিটত আমাৰ দৃষ্টিপাত অনুষ্ঠানত। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু সাক্ষাৎ গ্ৰহণ ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ আহ্বানত গুৱাহাটী মহকুমা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত চান্দমাৰীত অৱস্থিত শিক্ষক ভৱনত আজি এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। এই অভিৱৰ্তনত

ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ প্ৰচাৰ আৰু বাস্তৱতাৰ ওপৰত বিশদভাৱে আলোচনা কৰা হয়। বিদ্যালয়সমূহৰ আন্তঃগাথনিৰ অভাৱ, বিভিন্ন উৎসৱ পালনৰ নামত পাঠদানৰ ক্ষতি, সময়মতে সকলো মাধ্যমৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি বিতৰণ সম্পূৰ্ণ নকৰা, স্নাতক শিক্ষকৰ ৮ হেজাৰ ৭০০ টকা গ্ৰেডপে ঘূৰাই দিয়া, টিউটৰসকলক শিক্ষকৰ মৰ্যদা দিয়া, মুখ্যমন্ত্ৰীৰ বিশেষ বৃত্তি পৰীক্ষা বছৰি অনুষ্ঠিত কৰা, বিশেষ নিযুক্তি প্ৰক্ৰিয়াৰে নিযুক্ত শিক্ষকৰ প্ৰাপ্য আদায় দিয়া আদি সমস্যাবোৰৰ বিষয়ে আলোচনা কৰা হয়। প্ৰাথমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ পদ সৃষ্টিৰ বাবে জনোৱা ৰাইজৰ আহ্বানক সহাৰি দি গ্ৰহণ কৰা কেবিনেট সিদ্ধান্ত কাৰ্যকৰী কৰাৰ বাবে অভিৱৰ্তনত আলোচনা কৰা হয়। অভিৱৰ্তনত গ্ৰহণ কৰা প্ৰস্তাৱসমূহ অহা ১০ মাৰ্চত মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

০০০০

ৰাজ্য চৰকাৰৰ সহযোগত কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে দেশজুৰি প্ৰতিটো অঞ্চলত যোৱা ২০ ফেব্ৰুৱাৰীৰ পৰা ৩১ মাৰ্চলৈ অসংক্ৰামক ৰোগ চিনাক্তকৰণৰ বাবে বিশেষ স্বাস্থ্য পৰীক্ষা অভিযান গ্ৰহণ কৰিছে। এই উদ্দেশ্যে মৰিগাওঁ জিলাৰ প্ৰতিটো স্বাস্থ্যকেন্দ্ৰত স্বাস্থ্য শিবিৰ অনুষ্ঠিত হৈ আছে। স্বাস্থ্য শিবিৰত ৩০ বছৰ উৰ্ধৰ প্ৰতিগৰাকী ব্যক্তিৰ ৰক্তছাপ, মধুমেহ, মুখগহ্বৰ, স্তন আৰু জৰায়ুৰ কৰ্কট ৰোগৰ পৰীক্ষা কৰা হৈছে। শিবিৰৰ জৰিয়তে বৰ্তমানলৈ জিলাখনত ১৫ হাজাৰতকৈ অধিক ৰক্তছাপত আক্ৰান্ত ৰোগী চিনাক্ত কৰাৰ লগতে ১৪ হাজাৰতকৈ অধিক লোকৰ দেহত মধুমেহ ধৰা পৰিছে।

০০০০

গুৱাহাটীৰ বশিষ্টৰ অটল বিহাৰী বাজপেয়ী ভৱনত আজি ৰাজ্যিক বিজেপিৰ নৱনিৰ্বাচিত জিলা আৰু মণ্ডল সভাপতিসকলৰ বিশেষ সাংগঠনিক কৰ্মশালা আৰু অভিনন্দন সভা অনুষ্ঠিত হয়। সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক বি এল সন্তোসৰ লগতে ৰাজ্যিক সভাপতি দিলিপ শইকীয়া উপস্থিত থাকে। দিলিপ শইকীয়াই দলটোক শক্তিশালী কৰাৰ স্বাৰ্থত সকলোকে ঐক্যবদ্ধ হ'বলৈ সভাত আহ্বান জনায়। সমাগত পঞ্চায়ত নিৰ্বাচন, স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচন সন্দৰ্ভতো তেওঁ জিলা মণ্ডল সভাপতিসকলক ভালেমান পৰামৰ্শ আগবঢ়ায়। তৃণমূল পৰ্যায়ত দলটোক অধিক শক্তিশালী কৰাৰ সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। সভাত ৰাজ্যৰ ৩৯ খন জিলা তথা ৪৩৩ টা মণ্ডলৰ নৱ নিৰ্বাচিত সভাপতিসকলে সভাত অংশ লয়।

ইপিনে, সোনাপুৰত কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ২০২৬ চনৰ বিধানসভা নিৰ্বাচন, মিত্ৰতা আদি বিষয়সমূহে স্থান লাভ কৰিছে বুলি আমাৰ সংবাদদাতাই জনাইছে। বৈঠকখনত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাকে ধৰি বিৰোধী দলৰ ভালেকেইজন নেতা উপস্থিত আছে বুলি জানিব পৰা গৈছে।

০০০০

বান আৰু খহনীয়া সমস্যা সমাধানৰ লক্ষ্যৰে মন্ত্ৰী পীযূষ হাজৰিকাই আজি জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ সৈতে বৈঠকত মিলিত হয়। গুৱাহাটীৰ বশিষ্ঠৰ অসম জল ভৱনত আয়োজিত এই বৈঠকত জ্যেষ্ঠ বিষয়া, ঠিকাদাৰসকলৰ সৈতে বিভাগীয় কামত জড়িত ভালেকেইগৰাকী ব্যক্তিয়ে অংশ লয়। বৈঠকত মন্ত্ৰীগৰাকীয়ে বান আৰু নদী খহনীয়া ব্যৱস্থাপনা প্ৰাধিকৰণ, অসমৰ অধীনত বিভিন্ন শিতানত চলি থকা আৰু অনাগত দিনত সম্পন্ন হ'বলগীয়া কামসমূহৰ বিষয়ে বুজ লয়। বান আৰু খহনীয়া প্ৰতিৰোধী কামসমূহ সুচাৰুৰূপে তথা ক্ষিপ্ৰতাৰে সম্পাদন সন্দৰ্ভতো বৈঠকত আলোচনা কৰা হয়। এই বৈঠকত বান, খহনীয়া

প্ৰতিৰোধী কামৰ বাবে পৰ্যাপ্ত পৰিমাণে জিঅ’ বেগ, পাৰ্কুপাইন আদি প্ৰয়োজনীয় সামগ্ৰী, সকলো স্থানতে প্ৰয়োজনীয় সামগ্ৰীৰ উপলভ্যতা আদি সন্দৰ্ভত আলোচনা কৰা হয়। কাম চলি থকা স্থানত যাতে প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱ নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ তেওঁ অভিযন্তা, ঠিকাদাৰসকলক নিৰ্দেশ দিয়ে।

০০০০

ধেমাজিৰ আৰ্থসামাজিক সংস্থা ভোগজৰাই আজি জোনাইৰ বিশিষ্ট সাংস্কৃতিক কৰ্মী বগাৰাম দেউৰীক জীয়াঢল উপত্যকা বঁটা প্ৰদান কৰে। জিলাখনৰ মাছখোৱা নগৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত সাংস্কৃতিক কৰ্মীগৰাকীক এই বঁটা প্ৰদান কৰা হয়। এই অনুষ্ঠানত ধেমাজিৰ বৰদলনিৰ বি এফ চি প্ৰাথমিক বিদ্যালয়ক বৈষ্ণৱ পণ্ডিত, শিক্ষাবিদ বনমালী দেৱগোস্বামী সোঁৱৰণী অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ বিশেষ বঁটা আগবঢ়োৱা হয়। একেদৰে বঙাইগাঁও, অভয়াপুৰীৰ সাংবাদিক দিম্পীমণি শৰ্মাক অনিৰ্বান বি গোহাঁই সোঁৱৰণী বঁটা আগবঢ়োৱা হয়। এই অনুষ্ঠানত নতুন চিন্তা নামৰ এখন আলোচনী ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালে উন্মোচন কৰে। আজিৰ অনুষ্ঠানত চীনৰ চাংহাই বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ ইন্দুকল্প দিহিঙীয়া, কিৰণ বন দেউৰী, দুলাল বৰুৱা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশ লয়।

০০০০

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত বেংগালুৰুৰ এন চিন্নাস্বামী ষ্টেডিয়ামত আজি সন্ধিয়া চাৰে ৭ বজাত ডেল্হী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ বিৰ লীগ পৰ্যায়ৰ অন্তিমখন খেলত আজি ইংলেণ্ডে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ১৮০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। কৰাচীত অনুষ্ঠিত খেলখনত ইংলেণ্ডে প্ৰথমে বেট ধৰি ৩৮ অভাৰ আৰু ২টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৭৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই এই বাতৰি যুগুতোৱাৰ পৰলৈ ৮ অভাৰত এটা উইকেট হেৰুৱাই ৪৩ ৰাণ সংগ্ৰহ কৰি খেলি আছে। এইখন খেলত জয়লাভ কৰিলে বা খেলখন টাই হ’লে দক্ষিণ আফ্ৰিকা ছেমি ফাইনেলত প্ৰৱেশ কৰাতো নিশ্চিত হ’ব।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিৰ ত্ৰিমূৰ্তি ভৱনত **দেশৰ কথা দেশৰ গান** শীৰ্ষক এটা বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে। এই অনুষ্ঠানত চাইবাৰ অপৰাধ সম্পৰ্কত বক্তৃতা প্ৰদান কৰিব উপ-আৰক্ষী অধীক্ষক পিংকি দাসে। ইয়াৰ পাছতেই জ্যেষ্ঠ সংগীত শিল্পী জে পি দাস আৰু দুৰ্গামীয়ী বৰাই গীত পৰিৱেশন কৰিব। সন্ধিয়া ৬ বাজি ৫ মিনিটৰ পৰা নিশা ৮ বজালৈ এই অনুষ্ঠান কেন্দ্ৰৰ মহাবাহু শাখা আৰু ইয়াৰ ফে’চবুক পেজত পোনপটীয়াকৈ প্ৰচাৰ কৰা হ’ব। এই অনুষ্ঠানৰ মাজতে ৬ বাজি ৪৫ মিনিটত সন্ধিয়াৰ আঞ্চলিক বাতৰি আৰু ৭ বাজি ১০ মিনিটৰ বাতৰি প্ৰচাৰিত হ’ব। দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটত প্ৰচাৰ হ’বলগীয়া সংবাদ চলন্তিকাৰ প্ৰচাৰ অৱশ্যে বন্ধ থাকিব।

০০০০

সমাপ্ত